## স্বগতঃ

"ধ্বনিবিজ্ঞান তথা ধ্বনিতত্ত্বৰ উৎপত্তিৰ উৎস ভাৰতবৰ্ষ" বুলি বৃটিছ ভাষাতত্ত্ববিদ J. R. Firth-এ (Transactions of the Philological Society of London, 1948-অৰ "Sounds and Prosodies" নামৰ প্ৰবন্ধত ; বৰ্ত্তমান এই প্ৰবন্ধটো J. R. Firth-অৰ Papers in Linguistics, 1957-অৰ পৃঃ ১২১—১৩৮-অত নতুনকৈ প্ৰকাশ পাইছে।) উল্লেখ কৰিছে। আমাৰ পূৰ্বপুৰুষ ঋষি-মুনিসকলে বৈদিক মন্ত্ৰসমূহৰ শক্তি আৰু পৱিত্ৰতা ৰক্ষাৰ্থে ভাষাতত্ত্ব আলোচনা কৰিছিল ; আৰু ধ্বনি-বিজ্ঞান তথা ধ্বনিতত্ত্বৰ চৰ্চ্চাত চৰম সীমা লাভ কৰিছিল। আজি তিনি হাজাৰ বছৰৰ পিছতো এই ঋষি-মুনিসকলৰ ভাষাতত্ত্ব সম্পৰ্কীয় আবিষ্কাৰ চিৰনতুন হৈ জিলিকি আছে ; এইবোৰে জগতৰ পণ্ডিত-সমাজৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে ; সকলোকে প্ৰভাৱান্বিত কৰিছে। পাশ্চাত্য জগতত, বিশেষকৈ আমেৰিকাত আজি নতুন ভাষাবিজ্ঞানৰ (Descriptive Linguistics) যি আলোচনা-গৱেষণাদি হৈছে সেই সকলোবোৰৰ মূলতে পাণিনিৰ ব্যাকৰণ আৰু শিক্ষা, নিৰুক্ত আদি প্ৰাচীন শাস্ত্ৰসমূহ। এইখন এই বিষয়ে বহলাই আলোচনা কৰাৰ ক্ষেত্ৰ নহয়। Böhtlingk, Goldstüker, W. D. Whitney, Leonard Bloomfield, Max Müller, Macdonell, W. S. Allen, M. B. Emeneau আদি পাশ্চাত্য পণ্ডিতমণ্ডলীৰ প্ৰশংসামুখৰ ৰচনাৱলীয়েই তাৰ সাক্ষ্য দিয়ে! তথাপি ভাৰতৰ এই গৌৰৱোজ্জল ঐতিহ্যৰ স্বত্বাধিকাৰী আমি হ'ব পৰা নাই ; প্ৰত্যক্ষ জ্ঞান পৰোক্ষভাৱেহে গ্ৰহণ কৰিব লগা হৈছে। ইয়াতকৈ পৰিতাপৰ কথা কি হ'ব পাৰে!

প্ৰাচীন ভাৰতীয় ভাষাতত্ত্ব, ধ্বনিবিজ্ঞানৰ আহি আৰু প্ৰভাৱতে বৰ্ত্তমানে American School of Phonetics, British School of Phonetics আদি বিভিন্ন ধ্বনিবিজ্ঞানৰ ধাৰাৰ সৃষ্টি হৈছে: অথচ ধ্বনি-বিজ্ঞানৰ মাতৃভূমিত Indian School of Phonetics আজিও পুনৰুজ্জীৱিত হোৱা নাই। Dr. Siddheswar Varma-ই Critical Studies in the Phonetic Observations of Indian Grammarians নামৰ পুথিত আৰু W. S. Allen-এ Phonetics in Ancient India গ্ৰন্থত ভাৰতীয় ধ্বনি-বিজ্ঞানৰ ধাৰাৰ আভাস দাঙি ধৰিছে। এইবোৰে স্পষ্টকৈ দেখুৱায় আমি কেৱল পৰানুগামী আৰু পৰৰ ওচৰত ঋণী নোহোৱাকৈ চলিবৰ সম্বল আমাৰ আছে। যোৱা কেই দহকৰ ভিতৰত ভাৰতত ভাষাতত্ত্বৰ চৰ্চ্চাৰ

যি নৱজাগৰণে দেখা দিছে, ইয়াৰ পৰিণতি স্বৰূপে Indian School of Phonetics তথা Linguistics-অৰ প্ৰতিষ্ঠা দেখা পাম বুলি আমি নিশ্চয় আশা কৰিব পাৰোঁ।

জ্ঞান-বিজ্ঞানৰ আলোচনাৰ নিমিত্তে ভাৰতীয় ভাষাবোৰ কোনো গুণে পাছ পৰা নহয়। ইংৰাজী, জাৰ্মান, ফৰাচী, ৰুছীয় আদি ভাষাবোৰৰ এনে কোনো বিশেষ অন্তৰ্নিহিত গুণ বা শক্তি নাই যি এই ভাষাবোৰক শ্ৰেষ্ঠত্বৰ আসন দান কৰিছে। এটা ভাষাৰ শ্ৰেষ্ঠত্ব নিৰ্ভৰ কৰে সেই ভাষাভাষী চিন্তাশীল পণ্ডিতৰ জ্ঞান গৱেষণাৰ চৰ্চা আৰু প্ৰগতিৰ ওপৰতহে। চিন্তানায়কৰ প্ৰয়োজনৰ প্ৰসূতি ভাষা। প্ৰকাশৰ প্ৰেৰণাৰ তীব্ৰতাই ভাষা সৃষ্টি কৰে, শব্দ সাধে, শব্দত অৰ্থ আৰোপ কৰে; জ্ঞানৰ পথ পোহৰায়। সেয়েহে "ভাষা জননী" শব্দৰ উদ্ভাৱনা। জননীৰ মানত সকলো সন্তানেই সন্তান, জাৰজত্বৰ মোহৰো তাত নিশ্চিহ্ন হৈ যায়। সেইদৰে প্ৰয়োজন অনুসৰি দেশী বিদেশী সকলো ভাষাৰ পৰা গ্ৰহণ কৰা শব্দভাণ্ডাৰ ভাষাৰ নিজৰ, আদৰৰ বস্তু।

ভাষা সদায় গতিশীল, প্ৰগতিশীল; গোড়ামিৰ আবৰ্জনাই ইয়াৰ গতিৰোধ কৰিব নোৱাৰে। সময়ৰ লগত, জ্ঞান-বিজ্ঞানৰ প্ৰগতিৰ লগত সমানে খোজ মিলাই আগবাঢ়িব পৰা গুণ ইয়াৰ আছে। লাগে মাথোন এই অনন্ত-সম্ভৱা ভাষা জননীৰ প্ৰকৃত সেৱক, একান্ত সাধক। সেয়ে আমাৰ ভাৰতীয় ভাষাবোৰ উচ্চ আদৰ্শ, জ্ঞান-বিজ্ঞান, চিন্তা গৱেষণা প্ৰকাশৰ অক্ষম—এই ধাৰণা ভুল।

নব্য ভাৰতীয় ভাষাবোৰত ধ্বনি-বিজ্ঞানৰ পুথি এতিয়ালৈকে মাথোন দুখন প্ৰকাশ হৈ ওলাইছে। ডঃ এন. জি. কালেলকাৰে **ধ্বনি-বিচাৰ** নামে মাৰাঠী ভাষাত আৰু শ্ৰীগোলোক বিহাৰী ধলে **ধ্বনিবিজ্ঞান** নাম দি হিন্দী ভাষাত পুথি দুখন লিখিছে। **ধ্বনি-বিজ্ঞানৰ ভূমিকা** অসমীয়া ভাষাত সৰ্বপ্ৰথম আৰু ভাৰতীয় ভাষাবোৰৰ ভিতৰত তৃতীয় প্ৰচেষ্টা। ধ্বনিবিজ্ঞান তথা ধ্বনিতত্ত্বৰ চৰ্চাত সংস্কৃত ভাষা জগতৰ সকলো ভাষাতকৈ আগবাঢ়ি আছে। ভাৰতীয় ভাষাবোৰৰ ই পৰম সান্ত্বনাৰ কথা। সেয়েহে এই পুথিৰ ৰচনাত লেশমানো পাৰিভাষিক আহুকালে দেখা দিয়া নাই। যিমানদূৰ সম্ভৱ সংস্কৃত শব্দ প্ৰয়োগ কৰা হৈছে। কিছুমান সাধাৰণ শব্দত বিশেষ অৰ্থ আৰোপিত হৈছে; পুৰণি শব্দ কেতবোৰৰ নতুন মূল্যাঙ্কন কৰা হৈছে; আৰু সংস্কৃত আৰু অসমীয়াৰ সংমিশ্ৰণতো কিছুমান নতুন শব্দ সাধি উলিওৱা হৈছে। সেয়েহে এইবোৰৰ পাৰিভাষিক অৰ্থলৈ লক্ষ্য ৰখা প্ৰয়োজন নতুনকৈ প্ৰয়োগ কৰা কেতবোৰ শব্দ আৰু খণ্ডবাক্য প্ৰথমতে ভুল আৰু শ্ৰুতিকটু যেন

লাগিব পাৰে ; কিছুদিনৰ পিছত সেইবোৰ ঘৰুৱা আৰু শ্ৰুতিমধুৰ হৈ পৰিব বুলি আশা কৰা হৈছে।

শব্দৰ দৰেই অসমীয়া, বঙালী আৰু দেৱনাগৰী লিপিৰ দৈনন্দিন সাধাৰণ ভাৱে ব্যৱহাৰ হোৱা আখৰ কিছুমানৰ ইয়াত একোটা একোটা বিশেষ ধ্বনিৰ প্ৰতিভূস্বৰূপে প্ৰয়োগ হৈছে। কিছুমান আখৰৰ তলত বা ওপৰত সাংকেতিক চিহ্নও (diacritical marks) সংযোজিত হৈছে। প্ৰতীক বা চিহ্নৰ নিজস্ব কোনো তাৎপৰ্য্য নাই ; যি অৰ্থত এইবোৰ প্ৰয়োগ কৰা হয় সেয়ে এইবোৰৰ অৰ্থ, তাৎপৰ্য্য। গতিকে **প্ৰতীক আৰু আখৰবোৰৰ নতুন মূল্যাঙ্কন বুজিলেহে ধ্বনি-বিজ্ঞানৰ ভূমিকা বুজিব পৰা যাব।**

**ধ্বনিবিজ্ঞানৰ ভূমিকা** General Phonetic-অৰ গতানুগতিকতাৰে পৰানুগামী হৈ লিখা হোৱা নাই। ধ্বনিবিজ্ঞানৰ পুথিবোৰত সচৰাচৰ একোটা ভাষাৰ, বিশেষকৈ ইংৰাজী ভাষাৰ, ধ্বনিবিচাৰৰ আলম্বনত সামান্য (General) বাগ্‌ধ্বনিৰ আলোচনা কৰা হয়। তদুপৰি ধ্বনিবিজ্ঞান (Phonetics) আৰু ধ্বনিতত্ত্বৰ (Phonology) মাজত প্ৰায়েই সানমিহলি দেখা যায়। বৰ্ত্তমান পুথিত তেনে কোনো নিৰ্দ্দিষ্ট ভাষাৰ আলম লোৱা হোৱা নাই। অসমীয়া তথা ভাৰতীয় ভাষাবোৰৰ বেছিকৈ, আৰু পৃথিৱীৰ ভিন ভিন ভাষাবোৰৰ তথ্যও যথাসাধ্যে দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ মাজত ভেদৰেখা অটুট ৰাখি ধ্বনিতাত্ত্বিক আলোচনাৰ অৱতাৰণা কৰা হোৱা নাই। ইংৰাজী ভাষাত পোৱা ধ্বনিবিজ্ঞানৰ প্ৰায়বোৰ পুথি আলোচনা কৰি লিখকৰ শিক্ষা-প্ৰশিক্ষা আৰু ব্যক্তিগত পৰ্য্যৱেক্ষণৰ পৰা হোৱা স্বকীয়া ধাৰণা আৰু ব্যাখ্যাৰে নতুন বিষয়ানুক্ৰমত এই ধ্বনিবিজ্ঞানৰ ভূমিকাৰ সৃষ্টি। ধ্বনিবিজ্ঞানৰ যিবোৰ বিষয় লিখকৰ আয়ত্ত হোৱা নাই, যেনে পৰীক্ষামূলক ধ্বনিবিজ্ঞান (Experimental Phonetics), শ্ৰুতিবিজ্ঞান (Acoustics) আৰু শ্ৰৱণতত্ত্ব (Psycho-physical aspect of hearing) ইত্যাদি, সেইবোৰৰ মাথোন একোটা ইঙ্গিতহে দিয়া হৈছে।

পুথিৰ পৰিশিষ্টত **বৰ্ণ-বিজ্ঞান** (Phonemics)-অৰ চমু আভাস দাঙি ধৰা হৈছে। বৰ্ণ-বিজ্ঞানৰ মূল সূত্ৰ আৰু বিশ্লেষণ প্ৰক্ৰিয়া-ক্ৰমৰ চমু আলোচনাই ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব। সাধাৰণ পাঠক পাঠিকায়ো ভাষাবিশ্লেষণ প্ৰক্ৰিয়াৰ এটা ধাৰণা কৰিব পাৰিব বুলি বিশ্বাস ৰখা হৈছে।